**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**------------------**

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ববৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীয়ে  ৰাজ্যৰ বিভিন্ন স্থানত এই গীতটি পৰিৱেশন কৰাৰ বাবে শিল্পী, ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক ধন্যবাদ জনায়। তেওঁ কয়, যে **মানুহে মানুহৰ বাবে** গীতটো কেৱল অসমৰেই নহয়, সমগ্ৰ মানৱ জাতিৰে সম্পদ। এই গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। অসম আৰু অৰুণাচল প্ৰদেশৰ সম্পৰ্কক সুধাকণ্ঠই অধিক শক্তিশালী কৰি তুলিছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰেণ্য শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ধলা-শদিয়াৰ ড০ ভূপেন হাজৰিকা সেতুৰ জিৰো পইণ্টত তেওঁৰ প্ৰায় ১০০ ফুট উচ্চতাৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে অসমৰ প্ৰতিখন চহৰত এটাকৈ পথ ড০ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰা হ'ব বুলি উল্লেখ কৰে।

**বাইট (চি এম) ১**

অসম আন্দোলনৰ পটভূমিত ছহিদসকলক সুঁৱৰি সুধাকণ্ঠই ৰচনা কৰা **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটীৰ নৱনিৰ্মিত ছহিদ স্মাৰক ভৱনৰ উদ্বোধনৰ সৈতে সংগতি ৰাখি অহা ১০ ডিচেম্বৰত এই গীতটি সমগ্ৰ ৰাজ্যজুৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ব।

**বাইট (চি এম) ২**

আজিৰ অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপৰি বিভাগটোৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসকে ধৰি কেইবাগৰাকী শিল্পী তথা বিষয়ববীয়া উপস্থিত থাকে।

ooooo

ৰাজ্যৰ ৩৫ খন জিলা আৰু ২৭ খন সমজিলাত ড০ ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰতিখন জিলা সদৰত ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

**গান (মানুহে মানুহৰ বাবে)**

**ডিব্ৰুগড়** জিলা প্ৰশাসনৰ উদ্যোগত চৌকিডিঙ্গি খেলপথাৰত সুধাকণ্ঠক স্মৰণ কৰি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ৫ হাজাৰ লোকে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**চৰাইদেউ** জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ ৩ হাজাৰ শিল্পীয়ে আজি সুধাকণ্ঠৰ কেইবাটাও গীত পৰিৱেশন কৰে। অনুষ্ঠানত মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

**যোৰহাট** জিলা প্ৰশাসনেও বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যুবাৰ্ষিকী পালন কৰে। অনুষ্ঠানৰ অংশ স্বৰূপে যোৰহাট ষ্টেডিয়ামৰ লগতে তিতাবৰ, টীয়ক আৰু মৰিয়নী সমজিলাত সুকীয়া কাৰ্যসূচীৰ আয়োজন কৰা হয়।

**হোজাই**ৰ শংকৰদেৱ নগৰৰ কছাৰী ময়দানত ৫ হাজাৰতকৈ অধিক শিল্পীয়ে একেলগে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**শিৱসাগৰ** জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ডিং খেলপথাৰত আয়োজিত অনুষ্ঠানত ড° ভূপেন হাজৰিকাক স্মৰণ কৰা হয়।

**বোকাখাত** সমজিলা প্ৰশাসনৰ উদ্যোগত বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বোকাখাত শিল্পী সমাজৰ শিল্পীসকলে সুধাকণ্ঠৰ ১৪টি গীত পৰিৱেশন কৰে।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখলত অংশগ্ৰহণ কৰে।

**শিলচৰ**ৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত শিল্পীসকলে ড০ ভূপেন হাজৰিকাৰ কালজয়ী গীতটি অসমীয়া আৰু বাংলা দুয়োটা ভাষাতে পৰিৱেশন কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ উপলক্ষে পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিৰ পৰা আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে শ্ৰীকৃষ্ণৰ লীলা শিল্পীৰ দ্বাৰা পৰিবেশনৰ লগতে মৃন্ময় মূৰ্তিৰ জৰিয়তে আটক ধুনীয়াকৈ এই লীলা উপস্থাপন কৰা হৈছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলী**ৰ কেইবাখনো মঞ্চত কালিৰে পৰা অনুষ্ঠিত ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে বহু লোকৰ সমাগম হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে ৰাসলীলা উদযাপন কৰা হৈছে। ৰাসৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

**চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। **শিৱসাগৰ** নগৰৰ ঢুলীয়াপাৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱ কালি মন্ত্ৰী যোগেন মহনে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কালি ৰাস মহোৎসৱত কৃষ্ণৰ ৰাস লীলাৰ শিশুলীলা খণ্ড পৰিৱেশন কৰা হয়।

০০০০০

শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰুনানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী অনুষ্ঠিত হৈছে। শিৱসাগৰ গুৰুদ্বাৰত গুৰু নানক জয়ন্তী উপলক্ষে আজি উখল মাখল পৰিবেশে বিৰাজ কৰিছে। এই উপলক্ষে গুৰু গ্ৰন্থ চাহেব পাঠ তথা ভজনেৰে পৰিবেশ মুখৰ হৈ উঠিছে। হোজাই জিলাৰ লংকাত আজি গুৰু নানক জয়ন্তী তথা প্ৰকাশ পৰ্ব উদযাপন কৰা হৈছে। শিখ ধৰ্মাৱলম্বি লোকসকলে পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু জয়ন্তী পালন কৰিছে। ৮ টা প্ৰভাত ফেৰী আৰু গুৰু গ্ৰন্থ চাহেবৰ অখণ্ড পাঠেৰে আজি এই জয়ন্তী পালন কৰা হয়। ১৫০৫ চনত  গুৰু নানকে  পদাৰ্পন কৰা ধুবুৰী জিলাতো আজি গুৰু নানক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে গুৰুদ্বাৰ, গুৰু তেগবাহাদুৰ চাহেবজীত পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। বহু লোকে গুৰুদ্বাৰত সমবেত হৈ আৰাধনা কৰাৰ লগতে  গুৰু নানকক স্মৰণ কৰে।

ooooo

ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰভাতি থাওচেনক অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা শ্ৰীমতী থাওচেনক আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰি অসম চৰকাৰৰ কৰ্মচাৰী বিভাগৰ আয়ুক্ত সচিব এম মনিৱন্ননে আজি এটা নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে ডিমাছা সম্প্ৰদায়ৰ পৰা লোকসেৱা আয়োগৰ এনে সন্মানীয় পদত অধিষ্ঠিত হোৱা শ্ৰীমতী থাওচেন হৈছে প্ৰথমগৰাকী মহিলা।

ooooo

ঃঃ সমাপ্ত ঃঃ